# <u>উচ্চতম ন্যায়ালয়</u>

**ৰছীদ আহমেদ**
**বনাম**
**পৌৰসভা বৰ্ড, কাইৰানা।**

ভাৰত যুক্তৰাজ্য আৰু উত্তৰ প্ৰদেশ ৰাজ্য, হস্তক্ষেপকাৰীসকল।

( শ্ৰী হৰিলাল কানিয়া, মুখ্য ন্যায়াধীশ, চৈয়দ ফজল আলী, পতঞ্জলী শাস্ত্ৰী, মেহেৰ চান্দ মহাজন মুখাৰ্জী আৰু দাস জে. ন্যায়াধীশবৃন্দ )

ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ১৯ (১), ১৯ (৬), ৩২- বাণিজ্য চলাই নিয়াৰ মৌলিক অধিকাৰ- আৰোপ কৰা নিষেধাজ্ঞাৰ যুক্তিযুক্ততা- ইউ. পি. পৌৰসভা আইন, ১৯১৬, ধাৰা ২৪১ (২) (ক)-অনুমতি অবিহনে পাইকাৰী ব্যৱসায় চলোৱাত নিষেধাজ্ঞা আৰোপ কৰা পৌৰসভাৰ উপ-বিধি- পুৰণি ব্যৱসায়ীক অনুজ্ঞাপত্ৰ প্ৰদান ব্যৱস্থাৰ অনুপস্থিতি- একচেটিয়া অধিকাৰ প্ৰদানৰ অনুমতি দিয়া বিধানসমূহ- উপবিধিৰ বৈধতা।

পৌৰসভাৰ ব'ৰ্ডৰ উপ-বিধিৰ ২ নং উপ-বিধি, যিটো ১৯৫০ চনৰ ১ জানুৱাৰীৰ পৰা বলবৎ হয়, কৈছে যে "পূৰ্বৰ অনুমতি নোলোৱাকৈ, কোনো ব্যক্তিয়ে পাইকাৰী লেনদেনৰ বাবে কোনো নতুন বজাৰ বা স্থান স্থাপন কৰিব নোৱাৰিব"। আৰু কোনো ব্যক্তিয়ে উক্ত উদ্দেশ্যৰ বাবে ব'ৰ্ডে নিৰ্ধাৰণ কৰা ঠাইৰ বাহিৰে আন কোনো ঠাইত কোনো শাক-পাচলি, ফল-মূল আদি বিক্ৰী বা বিক্ৰীৰ বাবে উন্মোচন কৰিব নোৱাৰিব"; আৰু উপ-বিধি নং ৪ য়ে ঠিকাদাৰক বজাৰ হিচাপে নিৰ্ধাৰণ কৰা ঠাইত পাইকাৰী লেনদেনত চুক্তিবদ্ধ হোৱাৰ একচেটিয়া অধিকাৰ প্ৰদানৰ অনুমতি দিছিল। এই উপ- বিধিসমূহৰ দ্বাৰা তিনি বছৰ ধৰি শাক-পাচলিৰ পাইকাৰী ব্যৱসায় কৰাৰ একচেটিয়া অধিকাৰ পৌৰসভাৰ ব'ৰ্ডে নিলাম কৰি সৰ্বোচ্চ নিবিদাকাৰীক প্ৰদান কৰিছিল আৰু বজাৰ হিচাপেও এডোখৰ ঠাই নিৰ্ধাৰণ কৰা হৈছিল য'ত তেনে ব্যৱসায় চলাই নিব পাৰি। পৌৰসভাৰ উপ-বিধিসমূহ বলবৎ হোৱাৰ দুবছৰ আগৰ পৰা পৌৰসভাৰ ভিতৰৰ ভাড়া দোকান এখনত শাক-পাচলিৰ পাইকাৰী ব্যৱসায় চলাই অহা আবেদনকাৰীয়ে, তেওঁৰ দোকানত ব্যৱসায় চলাবলৈ অনুজ্ঞাপত্ৰৰ

বাবে আবেদন কৰিছিল কিন্তু সেই আবেদন এই ভিত্তিত নাকচ কৰা হ'ল যে উপ-বিধিত তেনে কোনো অনুজ্ঞাপত্ৰ প্ৰদান কৰাৰ ব্যৱস্থা নাই, আৰু তেওঁৰ বিৰুদ্ধে উপ-বিধি উলংঘাৰ বাবে গোচৰ চলোৱা হৈছিল। তেওঁ সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত নাগৰিক হিচাপে নিজৰ ব্যৱসায় চলাই নিয়াৰ মৌলিক অধিকাৰ বলবৎ কৰাৰ বাবে আবেদন কৰিছিল যিটো সংবিধানৰ ১৯ (১) অনুচ্ছেদৰ দ্বাৰা নিশ্চিত কৰা হৈছিল।

ৰায় প্ৰদান কৰা হৈছিল (i) যে অনুজ্ঞাপত্ৰ প্ৰদানৰ অনুমোদন দিয়া ব্যৱস্থাৰ অভাৱত, উপ-বিধি নং ২ ৰ নিষেধাজ্ঞা চূড়ান্ত হৈ পৰাটো; আৰু ইয়াৰ উপৰিও যিহেতু পৌৰসভাৰ ব'ৰ্ডে, একচেটিয়া অধিকাৰ প্ৰদান কৰি, আবেদনকাৰীক অনুজ্ঞাপত্ৰ প্ৰদান কৰাৰ ক্ষমতাৰ পৰা বাহিৰ হয়, সিমানখিনিৰ ভিতৰত জাৰি কৰা নিষেধাজ্ঞাসমূহ সংবিধানৰ ১৯ (৬)নং অনুচ্ছেদৰ মতে যুক্তিসংগত নাছিল, আৰু উপ-বিধিসমূহ সেই অনুসৰি অকাৰ্যকৰী আছিল আৰু আবেদনকাৰীৰ বিচাৰ অবৈধ আছিল, (ii) যে সংবিধানখন উপ-বিধিসমূহ বলবৎ হোৱাৰ পিছতহে বলবৎ হোৱাটোৱে আবেদনকাৰীয়ে তেওঁৰ ব্যৱসায় চলাই নিয়াৰ অধিকাৰত কোনো প্ৰভাৱ পেলাব নোৱাৰে।

এইটোও ৰায় দিয়া হৈছে, যে উত্তৰ প্ৰদেশ পৌৰসভা আইনৰ ধাৰা ৩১৮ৰ অধিনত কৰা আবেদন এটা পৰ্যাপ্ত আইনী প্ৰতিকাৰ নাছিল যাৰ অস্তিত্বই আবেদনকাৰীক এনে পৰিস্থিতিত এই আবেদন বজাই ৰখাৰ পৰা অস্বীকাৰ কৰিব।

মূল বিচাৰ ক্ষেত্ৰ: ১৯৫০ চনৰ আবেদন নং ১০

এই আবেদনখন আছিল সংবিধানৰ ৩২ (১)নং অনুচ্ছেদৰ অধীনত আবেদনকাৰীৰ ব্যৱসায় চলোৱাৰ মৌলিক অধিকাৰ বলবৎ কৰাৰ বাবে কৰা আবেদন যিটো সংবিধানৰ ১৯ (১)নং অনুচ্ছেদৰ দ্বাৰা নিশ্চিত কৰা হৈছিল। ৰায়দানত গোচৰৰ তথ্য প্ৰকাশ পাইছে।

নুৰ-উদ্দিন, আবেদনকাৰীৰ বাবে।

ৰাধেলাল আগৰৱালা, বিপৰীত দলৰ হৈ।

এম. চি. চেতালভাদ, ভাৰতৰ এটৰ্নী জেনেৰেল, (তেওঁৰ সৈতে এছ. এম. চিক্ৰী), ভাৰত চৰকাৰৰ বাবে।

প্যাৰিলাল বেনাৰ্জী, উত্তৰ প্ৰদেশৰ এডভোকেট জেনেৰেল (তেওঁৰ লগত শ্ৰী ৰাম), উত্তৰ প্ৰদেশ ৰাজ্যৰ বাবে।

১৯ মে, ১৯৫০ চনত আদালতত ৰায়দান কৰিছিল

দাস জে.  --মই আদালতৰ ৰায় পঢ়ি আছো।

এই আবেদনখন  ভাৰতীয় সংবিধানৰ ৩২ নং অনুচ্ছেদৰ অধীনত ৰছীদ আহমেদে নিজৰ ব্যৱসায় চলোৱাৰ মৌলিক অধিকাৰ বলবৎ ৰখাৰ বাবে কৰা আবেদন যিটো বিপৰীত পক্ষ কাইৰানাৰ পৌৰসভা ব'ৰ্ডে সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া বুলি কোৱা হৈছে।

তথ্যসমূহ চমুকৈ তলত দিয়া ধৰণৰ:

আবেদনকাৰীজন উত্তৰ প্ৰদেশ ৰাজ্যৰ মুজাফ্‌ফৰনগৰ জিলাৰ কাইৰানাত শাক-পাচলি আৰু ফলমূলৰ পাইকাৰী ব্যৱসায় কৰি থকা আৰতিয়া (কেমিচন এজেন্ট)। যোৱা দুবছৰ ধৰি তেওঁ কাইৰানা চহৰৰ বজাৰ জামা মছজিদৰ দোকান এখনত এই ব্যৱসায় চলাই আছিল যেতিয়ালৈকে শেহতীয়াকৈ পৌৰসভাৰ সীমাৰ ভিতৰত শাক-পাচলি আৰু ফল-মূলৰ বিক্ৰী নিয়ন্ত্ৰণ কৰা বিপৰীত পক্ষ ব'ৰ্ডৰ কোনো উপ-বিধি নাছিল। ১৯৪৯ চনৰ  মাৰ্চ মাহত উত্তৰদাতা ব'ৰ্ডে ইউ. পি. (উত্তৰ প্ৰদেশ) পৌৰসভা আইন, ১৯১৬ ৰ ২৯৮ ধাৰাৰ অধীনত কিছুমান প্ৰস্তাৱিত উপ-বিধি প্ৰকাশ কৰে।এই উপ-বিধিসমূহ ১৯৪৯ চনৰ ১৯ এপ্ৰিলত উত্তৰদাতা ব'ৰ্ডে গৃহীত কৰে। আয়ুক্তই নিশ্চিত কৰাৰ পিছত, এই উপ-বিধিসমূহ ১৯৫০ চনৰ ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হয়। এই নতুন উপ-বিধিসমূহ কাৰ্যকৰী হোৱাৰ প্ৰত্যাশাত, বিপৰীত পক্ষ ব'ৰ্ডে ১৯৪৯ চনৰ ২১ মে'ত “শাক-পাচলিৰ পাইকাৰী চুক্তিখন” নিলাম কৰিছিল, অনুমানিকভাৱে যাৰ অৰ্থ  শাক-পাচলিৰ পাইকাৰী ব্যৱসায় কৰাৰ

একচেটিয়া অধিকাৰ। চুক্তিখন দিয়া হৈছিল হাবিব আহমেদ নামৰ এজনক, যিয়ে ৭২,৭৫০ টকাৰে তিনি বছৰৰ বাবে সৰ্বাধিক নিবিদাকাৰী আছিল আৰু এই টকা আগতীয়াকৈ সমান ত্ৰিমাসিক কিস্তিত প্ৰদান কৰিব লাগিব। ১৯৪৯ চনৰ ৩১ ডিচেম্বৰত উত্তৰদাতা ব'ৰ্ডে পুলিচ পোষ্ট ইমামৰ ওচৰৰ এডোখৰ ঠাইক পাইকাৰীভাৱে শাক-পাচলি আৰু ফল-মূল ক্ৰয় আৰু বিক্ৰীৰ বজাৰ হিচাপে অৱগত কৰে ।

আবেদনকাৰীয়ে নিজৰ দোকানত পাইকাৰী আৰাটিয়া ব্যৱসায় চলাবলৈ অনুজ্ঞাপত্ৰৰ বাবে আবেদন জনায়। ১৯৪৯ চনৰ ২২ ডিচেম্বৰ বা তাৰ আশে পাশে প্ৰতিবাদী ব'ৰ্ডে ১৮৮ নং প্ৰস্তাৱৰ জৰিয়তে আবেদনকাৰীৰ আবেদন নাকচ কৰে।

এই সিদ্ধান্ত ১৯৫০ চনৰ ৯ ফেব্ৰুৱাৰীত আবেদনকাৰীক জনোৱা হৈছিল। উত্তৰদাতা ব'ৰ্ডৰ অধ্যক্ষৰ আদেশত আছিল এই চৰ্তসমূহ: "২২-১২-৪৯ তাৰিখৰ ১৮৮ নং প্ৰস্তাৱ অনুসৰি ৰছিদ আহমেদ ডাওঁৰীয়াৰ আবেদন নাকচ কৰা হৈছে আৰু সেই অনুসৰি তেওঁক অৱগত কৰা হওক।" উত্তৰদাতা ব'ৰ্ডে আবেদনকাৰীৰ আবেদন নাকচ কৰাৰ কোনো কাৰণ উল্লেখ কৰা নাছিল। এতিয়া আমাক উত্তৰদাতা ব'ৰ্ডৰ বিদ্বান অধিবক্তাই জনাইছে যে অনুজ্ঞাপত্ৰ প্ৰদানৰ বাবে কৰা আবেদনখন নাকচ কৰা হৈছিল কাৰণ অনুজ্ঞাপত্ৰ প্ৰদানৰ বাবে প্ৰাৰ্থনা জনাই দিয়া তেনে আবেদন গ্ৰহণ কৰাৰ কোনো উপ-বিধি নাছিল। ধাৰণা কৰিব পাৰি যে ইতিমধ্যে উত্তৰদাতা ব'ৰ্ডে হাবিব আহমেদক চুক্তিখন নিলাম কৰাটোৱে হয়তো আবেদনকাৰীক অনুজ্ঞাপত্ৰ প্ৰদান কৰিবলৈ অস্বীকাৰ কৰাৰ ওপৰত কিছু প্ৰভাৱ পেলাইছিল। ইয়াৰ মাজতে ১৯৫০ চনৰ ২৮ জানুৱাৰীত আবেদনকাৰীক তলত দিয়া চৰ্ত সহিতে এখন জাননী প্ৰেৰণ কৰা হয়:

'আপোনাক ইয়াৰ দ্বাৰা জনোৱা হৈছে যে কাইৰানাৰ পৌৰসভা ব'ৰ্ডে ১৯৫০ চনৰ ১ জানুৱাৰীৰ পৰা বলবৎ হোৱা শাক-পাচলিৰ পাইকাৰী ক্ৰয়-বিক্ৰয়ৰ চুক্তিখন দিছে। চহৰখনত ঢোল বজাই এজন ‘খাক্ৰব’ (ছুইপাৰ)ৰ জৰিয়তে বাৰম্বাৰ ঘোষণা কৰা হৈছে যে পৌৰসভা ব'ৰ্ড, কাইৰানাৰ শাক-পাচলিৰ ঠিকাদাৰৰ বাহিৰে, পূৰ্বতে উল্লেখ কৰা পৌৰসভা ব'ৰ্ডে অনুমোদন জনোৱা ঠাইৰ (অৰ্থাৎ পুলিচ পোষ্ট ইমামৰ ওচৰৰ এডোখৰ

ঠাইৰ) বাহিৰে আন ঠাইত শাক-পাচলিৰ পাইকাৰী ক্ৰয় আৰু বিক্ৰীৰ কাম কোনেও কৰিব নোৱাৰিব। ইয়াৰ বিপৰীতে, আপুনি প্ৰথমতে জামা মছজিদৰ ওচৰৰ কাজিৱালা নামেৰে জনাজাত ঘৰটোত পাইকাৰীভাৱে শাক-পাচলি বিক্ৰী কৰি থাকিল, মাজে মাজে মৌখিক সতৰ্কবাণী দিয়াৰ পিছতো, যিবোৰ সতৰ্কবাণী ব'ৰ্ডৰ এজন কৰ্মচাৰীৰ জৰিয়তে প্ৰেৰণ কৰা হৈছিল। আপুনি মানিবলৈ ব্যৰ্থ হোৱাৰ পিছত, ১৯৫০ চনৰ ৩ জানুৱাৰী তাৰিখে আপোনাক লিখিতভাৱে সকীয়াই দিয়া হৈছিল। সেই জাননী আপোনাক যথাযথভাৱে প্ৰদান কৰা হৈছিল। কিন্তু তথাপিও আপুনি কোনো গুৰুত্ব নিদিলে। সেই অনুসৰি, ওপৰত উদ্‌ধৃত উপ-বিধিৰ অধীনত, আপোনাৰ বিৰুদ্ধে পৰগনা বিষয়া, তহচিল কাইৰানাৰ আদালতত অভিযোগ দাখিল কৰা হৈছিল। অভিযোগ এতিয়াও বিচাৰাধীন হৈ আছে। এতিয়া আপুনি নিলামৰ দ্বাৰা শাক-পাচলিৰ পাইকাৰী বিক্ৰী কৰি আছে জামা মছজিদ বজাৰৰ আন এডোখৰ ঠাইত, যিটো জনসাধাৰণে ব্যৱহাৰ কৰা এটা পথ।

আপোনাৰ ওপৰৰ আচৰণ বেআইনী আৰু শাক-পাচলিৰ চুক্তি সম্পৰ্কীয় পৌৰসভা ব'ৰ্ডৰ ২ নং উপ-বিধি উলংঘা কৰে। তদুপৰি, ঠিকাদাৰ আৰু ব'ৰ্ড উভয়ৰে স্বাৰ্থৰ বাবে এই সতৰ্কবাণী গুৰুত্বপূৰ্ণ, কিয়নো উপ-বিধি উলংঘা কৰি পাচলি যোগান অব্যাহত ৰখাটো দুয়োপক্ষৰ স্বাৰ্থৰ বাবে ক্ষতিকাৰক হ'ব পাৰে । আপোনাক সকীয়াই দিয়া হৈছে যে এই জাননী আপোনাক প্ৰেৰণ কৰাৰ পিছত ওপৰত উল্লেখ কৰা উপ-বিধি উলংঘা কৰি শাক-পাচলি বিক্ৰী কৰা বন্ধ কৰিব লাগে।ইয়াত বিফল নহব।"

এই জাননীখন অপ্ৰত্যাশিত কাৰণ, পুলিচ পোষ্ট ইমামৰ ওচৰৰ অনুমোদিত স্থানত যিকোনো লোকে পাচলিৰ পাইকাৰী ক্ৰয় আৰু বিক্ৰীত জড়িত হ'ব পাৰে বুলি বুজাই দিয়া স্বত্বেও, ব'ৰ্ডৰ অধিবক্তাই স্পষ্ট কৰা বাস্তৱতা একেবাৰে বিপৰীত। দেখা গৈছে যে কেৱল ঠিকাদাৰ হাবিব আহমদক সেই নিৰ্দিষ্ট স্থানত পাইকাৰী ব্যৱসায় কৰিবলৈ অনুমতি দিয়া হৈছে। গতিকে স্থিতিটো হ'ল যে আবেদনকাৰীয়ে নিযুক্ত/ নিৰ্ধাৰিত বজাৰত বা নিজৰ দোকানতও কোনো পাইকাৰী ব্যৱসায় কৰিব নোৱাৰে য'ত তেওঁ স্বীকাৰ্য্যভাৱে উপ-বিধি বলবৎ হোৱাৰ দুবছৰৰ আগৰ পৰা পাইকাৰী ব্যৱসায় কৰি আহিছিল। মুঠতে

আবেদনকাৰীৰ ব্যৱসায় সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হৈছে আৰু উপ-বিধি ভংগ কৰাৰ অভিযোগত তেওঁৰ বিৰুদ্ধে গোচৰ চলি আছে। ওপৰৰ জাননীখনৰ শিৰোনাম আছিল "শাক-পাচলিৰ চুক্তি সম্পৰ্কীয় উপ-বিধিৰ উপ-বিধি নং ২ৰ অধীনত জাননী।" উপ-বিধি নং ২ত এইদৰে উল্লেখ কৰা হৈছে:

"কোনো ব্যক্তিয়ে ব'ৰ্ডৰ পূৰ্বৰ অনুমতি নোলোৱাকৈ পাইকাৰী লেনদেনৰ বাবে কোনো নতুন বজাৰ বা স্থান স্থাপন কৰিব নোৱাৰিব আৰু কোনো ব্যক্তিয়ে ব'ৰ্ডে নিৰ্ধাৰণ কৰা ঠাইৰ বাহিৰে আন কোনো ঠাইত কোনো শাক-পাচলি, ফল-মূল আদি বিক্ৰী বা বিক্ৰীৰ উদ্দেশ্যে উন্মোচন কৰিব নোৱাৰিব।"

এই উপ-বিধিৰ দ্বিতীয় অংশত স্পষ্টভাবে চিন্তা কৰা হৈছে যে উত্তৰদাতা ব'ৰ্ডে নিৰ্ধাৰণ কৰা ঠাইত সকলোৱে ব্যৱসায় কৰাৰ অধিকাৰ থাকিব, কিন্তু উত্তৰদাতা ব'ৰ্ডৰ বিদ্বান অধিবক্তাৰ কথাৰ পৰা বুজিব পাৰি যে ঠিকাদাৰ হাবিব আহমদৰ সপক্ষে একচেটিয়া অধিকাৰ সৃষ্টি হোৱাৰ ফলত আন কোনোৱেই সেই ঠাইত ব্যৱসায় কৰিব নোৱাৰে। এই উপ-বিধিৰ প্ৰথম অংশৰ অধীনত কোনো ব্যক্তিয়ে উত্তৰদাতা ব'ৰ্ডৰ অনুমতি নোলোৱাকৈ পাইকাৰী লেনদেনৰ বাবে নতুন বজাৰ বা স্থান স্থাপন কৰিব নোৱাৰিব। উপ-বিধিৰ এই অংশত স্পষ্টভাৱে চিন্তা কৰা হৈছে যে ব'ৰ্ডে শাক-পাচলিৰ পাইকাৰী ব্যৱসায়ৰ বাবে নতুন বজাৰ স্থাপনৰ অনুমতি দিব পাৰে। আবেদনকাৰীয়ে এই অনুমতিৰ বাবে আবেদন কৰিছিল কিন্তু সেই আবেদন নাকচ কৰা হৈছিল। উপ-বিধি ২ এতিয়াও বলবৎ হৈআছে।

যদি ইয়াৰ বাবে অনুজ্ঞাপত্ৰৰ প্ৰয়োজন হয় তেন্তে ধাৰা ২৪১ (২) (ক)ৰ অধীনত উত্তৰদাতা ব'ৰ্ডে এনে অনুজ্ঞাপত্ৰ প্ৰত্যাখ্যান কৰিব পাৰে কেৱল এই ভিত্তিত যে বজাৰ বা দোকান স্থাপন কৰা ঠাইখনে আইনখনত নিৰ্ধাৰিত কোনো চৰ্ত মানি চলাত ব্যৰ্থ হৈছে। স্বীকাৰ কৰা হৈছে যে আবেদনকাৰীৰ আবেদন নাকচ কৰাটো এনে কোনো ভিত্তিত নহয় বৰঞ্চ অনুজ্ঞাপত্ৰ প্ৰদানৰ অনুমোদন দিয়া কোনো উপ-বিধি নাছিল বাবেই প্ৰত্যাখ্যান কৰা হৈছে। সংবিধানে ১৯ (১) নং অনুচ্ছেদৰ দ্বাৰা ভাৰতীয় নাগৰিকক সেই অনুচ্ছেদৰ

দফা (৬)ত উল্লেখ কৰা যুক্তিসংগত সীমাবদ্ধতাৰ বা নিষেধাজ্ঞাৰ সৈতে বাণিজ্য বা ব্যৱসায় চলোৱাৰ অধিকাৰৰ নিশ্চয়তা প্ৰদান কৰে। কিন্তু উপ-বিধি নং ২ৰ অধীনত স্থিতিটো হ'ল যে ইয়াত উল্লেখ কৰা হৈছে যে ব'ৰ্ডৰ অনুমতিৰ বাহিৰে কোনো ব্যক্তিয়ে শাক-পাচলিৰ পাইকাৰী লেনদেনৰ বাবে বজাৰ স্থাপন কৰিব নোৱাৰিব, কিন্তু উত্তৰদাতা ব'ৰ্ডক অনুজ্ঞাপত্ৰ জাৰি কৰিবলৈ কৰ্তৃত্ব দিয়া কোনো উপ-বিধি নাই। অনুজ্ঞাপত্ৰ প্ৰদানৰ কোনো ব্যৱস্থাৰ অভাৱৰ প্ৰত্যক্ষ ফলাফল হ'ল যে এই উপ-বিধিত উল্লেখ কৰা নিষেধাজ্ঞা চূড়ান্ত বা নিৰপেক্ষ হৈ পৰে। ইয়াৰ উপৰিও, উপ-বিধি নং ৪ত বজাৰ হিচাপে নিৰ্ধাৰিত স্থানত পাইকাৰী  লেনদেন কৰিবলৈ ঠিকাদাৰক একচেটিয়া অধিকাৰ প্ৰদানৰ কথা চিন্তা কৰা হৈছে। সেই বিধান অনুসৰি উত্তৰদাতা ব'ৰ্ডে হাবিব আহমেদক একচেটিয়া অধিকাৰ প্ৰদান কৰিছে আৰু আবেদনকাৰীক নিৰ্দিষ্ট বজাৰ স্থানত বা কাইৰানাৰ পৌৰসভা সীমাৰ ভিতৰৰ আন যিকোনো ঠাইত শাক-পাচলিৰ পাইকাৰী ব্যৱসায় চলাবলৈ অনুজ্ঞাপত্ৰ প্ৰদান কৰাটো নিজৰ ক্ষমতাৰ বাহিৰত ৰাখিছে। এইটো নিশ্চিত ভাৱে আবেদনকাৰীৰ ওপৰত ১৯নং অনুচ্ছেদৰ দফা (৬)ত চিন্তা কৰা যুক্তিসংগত নিষেধাজ্ঞাতকৈ বহু বেছি। এই স্থিতি হ'লে সংবিধানৰ ১৩ (১) নং অনুচ্ছেদৰ অধীনত উপ-বিধিসমূহ বাতিল হ'ব। আনহাতে, যদিহে আবেদনকাৰীয়ে অনুজ্ঞাপত্ৰ ল'ব লাগিব বুলি কোনো উপ-বিধি নাই, তেন্তে উত্তৰদাতা ব'ৰ্ডে আবেদনকাৰীৰ ব্যৱসায় বন্ধ কৰাৰ বা তেওঁৰ বিৰুদ্ধে গোচৰ চলোৱাৰ কোনো ন্যায্যতা থাকিব নোৱাৰে।

উত্তৰদাতা ব'ৰ্ডৰ বিদ্বান অধিবক্তাই ক্ষীণভাৱে দাবী কৰিছিল যে উপ-বিধিসমূহ ১৯৫০ চনৰ ১ জানুৱাৰীৰ পৰা বলবৎ হোৱাৰ বাবে, অৰ্থাৎ সংবিধান বলবৎ হোৱাৰ আগতে হোৱাৰ বাবে, আবেদনকাৰীৰ ব্যৱসায় অব্যাহত ৰখাৰ কোনো অধিকাৰ নাই আৰু সেয়েহে, তেওঁৰ গোচৰ ১৯ (১) (ছ) নং অনুচ্ছেদৰ অধিনত পৰিচালিত নহয়। এইযুক্তিৰ কোনো সাৰ্থকতা নাই, কাৰণ, যদি ই সঠিক হ'লহেঁতেন, তেন্তে ১৯ (১) (ছ) নং অনুচ্ছেদে

সংবিধান বলবৎ হোৱাৰ আগতে ব্যৱসায় চলাই থকা ব্যক্তি সকলকহে সুৰক্ষা দিলেহেঁতেন।

হস্তক্ষেপকাৰীৰহে হাজিৰ হোৱা উত্তৰ প্ৰদেশৰ বিদ্বান এডভোকেট জেনেৰেলে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছিল ইউ.পি. পৌৰ সভা আইন, ১৯১৬ চনলৈ আৰু দাবী কৰিছিল যে আবেদনকাৰীয়ে আপীলৰ জৰিয়তে পৰ্যাপ্ত প্ৰতিকাৰ থকাৰ বাবে এই আদালতে বিশেষাধিকাৰ লেখ পৰমাদেশ বা উৎপ্ৰেষণৰ (মেণ্ডামাচ আৰু চাৰ্টিওৰাৰী) লেখৰ প্ৰকৃতিৰ কোনো লেখ প্ৰদান কৰিব নালাগে।

ইয়াত কোনো প্ৰশ্ন থাকিব নোৱাৰে যে যদিও পৰ্যাপ্ত আইনী প্ৰতিকাৰৰ অস্তিত্ব লেখ প্ৰদান কৰোঁতে বিবেচনা কৰাৰ এক কাৰক, কিন্তু ৩২ নং অনুচ্ছেদৰ অধীনত এই আদালতক দিয়া ক্ষমতা বহুত বহল আৰু ই কেৱল বিশেষ অধিকাৰ লেখ জাৰি কৰাতে সীমাবদ্ধ নহয়। উত্তৰদাতা ব'ৰ্ডে অনুজ্ঞাপত্ৰ প্ৰদান কৰাটো নিজৰ ক্ষমতাৰ বাহিৰত ৰাখিছে বুলি স্বীকাৰ কৰিছে আৰু অনুজ্ঞাপত্ৰ প্ৰদানৰ অনুমতি দিয়া কোনো নিৰ্দিষ্ট উপ-বিধি নাই বুলি বিবেচনা কৰি আমি এই গোচৰৰ পৰিস্থিতিত, ৩১৮ নং ধাৰাত স্থানীয় চৰকাৰৰ ওচৰত কৰা আবেদন, যি স্থানীয় চৰকাৰে উপ-বিধিসমূহ অনুমোদন জনাইছিল, সেইয়া এক পৰ্যাপ্ত আইনী প্ৰতিকাৰ বুলি বিবেচনা নকৰো।

আমি নিশ্চিত যে এই গোচৰত আবেদনকাৰীৰ মৌলিক অধিকাৰ খৰ্ব কৰা হৈছে আৰু তেওঁ নিজৰ অভিযোগৰ সমাধান বা সকাহ পোৱাৰ অধিকাৰী। তেনে পৰিস্থিতিত সঠিক আদেশ হ'ব উত্তৰদাতা ব'ৰ্ডক নিৰ্দেশ দিব লাগে যে ভৱিষ্যতে আইনৰ অধিনত উপ বিধি প্ৰনয়নক ব্যতিক্ৰম হিচাপে ৰাখি, আবেদনকাৰীক কৈৰানাৰ পৌৰ সভা ব'ৰ্ডৰ সীমাৰ ভিতৰত শাক-পাচলি আৰু ফলৰ পাইকাৰী ব্যৱসায় আৰু কমিচন এজেণ্টৰ ব্যৱসায় চলাবলৈ বাধা দিব নালাগে আৰু ইয়াৰ উপৰিও উত্তৰদাতা পৌৰ বৰ্ডক আবেদনকাৰীৰ বিচাৰধীন হৈ থকা বিচাৰ প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশ দিব লাগে আৰু আমি

সেই অনুসৰিয়ে আদেশ দিওঁ। উত্তৰদাতাসকলক আবেদনকাৰীৰ খৰচ পৰিশোধ কৰিবলৈ নিৰ্দেশ দিওঁ।

আবেদন মঞ্জুৰ কৰা হ'ল।

আবেদনকাৰীৰ এজেন্ট: নৌনিতলাল।

বিপৰীত পক্ষৰ এজেন্ট: তাৰাচান্দ ব্ৰিজমোহনলাল।

ভাৰত ইউনিয়নৰ এজেন্ট: পি.এ. মেহতা

উত্তৰ প্ৰদেশৰ এজেন্টঃ তাৰাচান্দ ব্ৰিজমোহনলাল।

অনুবাদক: হাবিবুল্লা  আহমেদ

পৰীক্ষক: মিতালী  কটকী

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

"স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।"